অধ্যায় ২ঃ বাক্য সজ্জা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ অসমীয়া ভাষাৰ বাক্যৰীতি
২.৩.১ উদ্দেশ্য আৰু বিধেয়
২.৪ বাক্যৰ শ্রেণী বিভাজন
২.৫ বাচ্য
২.৬ উক্তি
২.৭ বাক্যত পদৰ ক্রম
২.৮ বাক্যাংশ আৰু খণ্ডবাক্য
২.৯ বাক্যাংশ আৰু খণ্ডবাক্যৰ প্রভেদ
২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলো
২.১১ অধিক জানিবলৈ
২.১২ অগ্রগতিৰ খতিয়ান
২.১৩ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- অসমীয়া ভাষাৰ বাক্যৰীতি সম্পর্কে জানিব পাৰিব
- অসমীয়া ভাষাৰ বাক্যৰ শ্রেণী বিভাজন কৰিব পাৰিব
- বাচ্য আৰু উক্তি কি তাক জানিব
- বাক্যত ব্যৱহাৰ হোৱা পদৰ ক্রম নির্ণয় কৰিব পাৰিব

২.২ পৰিচয়

স্নাতকোত্তৰ পাঠ্যক্রমৰ প্রথম ষান্মাসিকৰ অন্তর্গত "ব্যৱহাৰিক অসমীয়া" পাঠ্যবিষয়ৰ ইয়াত দ্বিতীয় অধ্যায় 'বাক্য সজ্জা'। ইয়াত অসমীয়া বাক্যৰীতি , বাচ্য, উক্তি আদি বিষয়সমূহৰ লগত জড়িত দিশসমূহৰ আলোচনা পঢ়িবলৈ পাব।

২.৩ অসমীয়া ভাষাৰ বাক্যৰীতি

বাক্যৰ অন্তর্গত পদবোৰৰ প্রয়োগৰ প্রণালীকে বাক্যৰীতি বোলা হয়। বাক্য গঠন হয় শব্দৰ দ্বাৰা। বিভিন্ন শব্দসমূহ এটা নির্দিষ্ট ক্রমত সংয়োজিত হৈ বাক্য গঠন কৰে। বাক্যৰীতিয়ে প্রধানকৈ বাক্যত ব্যৱহৃত শব্দসমূহৰ বিন্যাস আৰু সেইবোৰৰ পৰিৱর্তনৰ নিয়মকে সাঙুৰি লয়।



জানি থোৱা ভাল

পদ ঃ বাক্যত ব্যৱহাৰ হোৱা পতিটো শব্দকে পদ বুলি কোৱা হয়।

২.৩.১ উদ্দেশ্য আৰু বিধেয়

বাক্যক সাধাৰণতে দুটা ভাগত ভগাব পাৰি। উদ্দেশ্য আৰু বিধেয়। যাক অৱলম্বন কৰি বক্তাৰ মনোভাব প্রকাশিত হয় তাক উদ্দেশ্য বোলা হয়। উদ্দেশ্য সম্বন্ধে যি কোৱা হয় তাক বিধেয় বোলে। যেনে-- 'মানুহজনে কামটো কৰিলে'। এই বাক্যটিত উদ্দেশ্য হ'ল 'মানুহজনে' আৰু 'কামটো কৰিলে' হ'ল বিধেয়।

২.৪ বাক্যৰ শ্রেণী বিভাজন

গঠন অনুসৰি

গঠনৰ ফালৰ পৰা অসমীয়া বাক্যক তিনিটা শ্রেণীত বিভাজন কৰিব পাৰি।

(ক) সৰল বাক্য

(খ) জটিল বা মিশ্র বাক্য

(গ) মৌলিক বা সংযুক্ত বাক্য

(ক) সৰল বাক্য ঃ যি বাক্যত এটা উদ্দেশ্য আৰু এটা বিধেয় থাকে তাকে সৰল বাক্য বোলা হয়। যেনে- ৰাম এজন ভাল ল'ৰা, সি ঘৰলৈ গ'ল ইত্যাদি।

(খ) জটিল বা মিশ্র বাক্য ঃ যি বাক্যত এটা প্রধান উপবাক্যৰ লগত অন্য এক বা একাধিক গৌণ উপবাক্য সংযুক্ত হৈ থাকে, তাকে জটিল বা মিশ্র বাক্য বোলা হয়। যেনে- তুমি যিটো

কথা কৈছিলা মই ভালদৰে বুজিব পাৰিছোঁ। ইয়াত 'তুমি যিটো কথা কৈছিলা' হ'ল প্রধান উপবাক্য আৰু 'মই ভালদৰে বুজিব পাৰিছো গৌণ উপবাক্য।

(গ) মৌলিক বা সংযুক্ত বাক্য ঃ সংযোজক অথবা বিয়োজক অব্যয়ৰ দ্বাৰা যুক্ত হৈ একাধিক সৰল বা জটিল বাক্য লগ লাগি গঠন হোৱা বাক্যক মৌলিক বা সংযুক্ত বাক্য বোলে। যেনে- মই তোমাৰ কথা শুনিলো আৰু ঘৰলৈ গুছি আহিলো। ইয়াত 'আৰু' অব্যয়ৰ দ্বাৰা 'মই তোমাৰ কথা শুনিলোঁ', ' ঘৰলৈ গুছি আহিলোঁ' বাক্য দুটা লগ লাগি এটা মৌলিক বাক্য গঠন হৈছে।

ভাব অনুসৰি বাক্যৰ বিভাজন

বাক্যত প্রকাশ পোৱা ভাব অনুসৰিও বাক্যক শ্রেণী বিভাজন কৰিব পাৰি। যেনে-

ইতিবাচক বাক্য ঃ হোৱা অর্থ বুজোৱা বাক্যকে ইতিবাচক বাক্য বোলে। যেনে- তেওঁ ঘৰলৈ গ'ল।

নেতিবাচক বাক্য ঃ নোহোৱা অর্থ বুজোৱা বাক্যকে নেতিবাচক বাক্য বোলে। যেনে- তেওঁ ঘৰলৈ নগ'ল।

প্রশ্নবোধক বাক্য ঃ যি বাক্যত প্রশ্ন সোধা হয়, তেনে বাক্যকে প্রশ্নবোধক বাক্য বোলে। যেনে- তেওঁ ঘৰলৈ গ'ল নেকি?

অনুজ্ঞাসূচক বাক্য ঃ আদেশ, অনুজ্ঞা, অনুৰোধ আদি বুজোৱা বাক্যক অনুজ্ঞাসূচক বাক্য বোলে। যেনে- তুমি ঘৰলৈ যোৱা, অনুগ্রহ কৰি কামটো কৰি দিয়ে যেন, ঈশ্বৰে তোমাৰ মংগল কৰক, ইত্যাদি।

ভাবাবেগসূচক বাক্য ঃ আবেগ-উৎকণ্ঠা , বিস্ময়, আনন্দ, ঘৃণা আদি প্রকাশক বাক্যক ভাবাবেগসূচক বাক্য বোলে। যেনে- আঃ কি সুন্দৰ !, উসঃ দুখ পালোঁ ! ইত্যাদি।

সন্দেহসূচক বাক্য ঃ সন্দেহ, অনিশ্চয়তা আদি ভাব প্রকাশক বাক্যই হ'ল সন্দেহসূচক বাক্য। যেনে - হয়তো সি নাহিব, সি যদি কামটো কৰিলেহেঁতেন ইত্যাদি ।

২.৫ বাচ্য

কথা কোৱাৰ ধৰণকে বাচ্য বুলি কোৱা হয়। কথা কওঁতে বা লিখোতে কেতিয়াবা কর্তাৰি ওপৰত কেতিয়াবা কর্মৰ ওপৰত আৰু কেতিয়াবা ক্রিয়াই সম্পাদন কৰা কার্যৰ ওপৰত গুৰুত্ব দিয়া হয়। সেই অনুসৰি অসমীয়া ভাষাত তিনি প্রকাৰৰ বাচ্য পোৱা যায়। কর্তা বাচ্য, কর্ম বাচ্য, আৰু ভাব বাচ্য।

কর্তাৰি ওপৰত গুৰুত্ব দিলে কর্তা বাচ্য। যেনে- আমি ৰাতিৰ আকাশত তৰা দেখা পাওঁ।

কর্মৰ ওপৰত গুৰুত্ব দিলে কর্ম বাচ্য। যেনে - দিনত আকাশত তৰা দেখা নাযায়
ক্রিয়াই সম্পাদন কৰা কার্যৰ ওপৰত গুৰুত্ব দিলে ভাব বাচ্য। যেনে - মোৰ গাটো জ্বৰ জ্বৰ লাগিছে।

২.৬ উক্তি

কর্তা ঃ যি কৰে, সেয়াই কর্তা।
কর্মঃ যি কৰা হয় কেতিয়াবা এজনৰ কথাখিনি আন এজনে কওঁতে সেয়াই কর্ম। বক্তাই কোৱা ধৰণে কোৱা হয় অথবা লিখা হয়।
ক্রিয়া ঃ যি পদে কেতিয়াবা দ্বিতীয়জন বক্তাৰ কথাখিনি নিজৰ কোনো কাম কৰা ধৰণে কয়। কওঁতাৰ কথাখিনি হুবহু ক'লে বা হোৱা বুজায় লিখিলে তাক প্রত্যক্ষ উক্তি আৰু নিজৰ ধৰণে ক'লে সেয়াই ক্রিয়া। তাক পৰোক্ষ উক্তি বোলা হয়। যেনে -

প্রত্যক্ষ উক্তিঃ ৰামে ক'লে, 'মই কামটো কৰিলোঁ'।
পৰোক্ষ উক্তিঃ ৰামে ক'লে যে তেওঁ কামটো কৰিলে।

২.৭ বাক্যত পদৰ ক্রম

বাক্যত ব্যৱহৃত পদবোৰৰ একোটা নির্দিষ্ট ক্রম থাকে। সেই ক্রম অনুসৰি বহিলেহে বাক্য এটাই সঠিক অর্থ বহন কৰিব পাৰে। ক্রম অনুসৰি নবহিলে অর্থ স্পষ্ট নহয়। আমি ইতিমধ্যে পাই আহিছো যে সাধাৰণতে অসমীয়া ভাষাৰ বাক্যত প্রথমে উদ্দেশ্য থাকে আৰু পাছৰ ফালে থাকে বিধেয়। উদ্দেশ্য সাধাৰণতে কর্তাকেন্দ্রিক, বিধেয় ক্রিয়াকেন্দ্রিক। বিধেয়ত ক্রিয়াৰ লগতে কর্ম অথবা অন্যান্য পদবোৰ থাকে। এই পদবোৰে এটা নির্দিষ্ট ক্রম ৰক্ষা কৰি চলে। উদাহৰণ স্বৰূপে এটা সৰল বাক্যত পদবোৰৰ ক্রম এনেধৰণৰ হয় ---

কর্তা	কর্ম	ক্রিয়া
ৰাম	ঘৰলৈ	গ'ল
উদ্দেশ্য	বিধেয়	

অর্থাৎ অসমীয়া ভাষাৰ বাক্যত প্রথমতে কর্তা, তাৰপাছত কর্ম আৰু শেষত ক্রিয়া বহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং **১** ঃ বাচ্য কেইপ্রকাৰৰ আৰু কি কি?

২.৮ বাক্যাংশ আৰু খণ্ডবাক্য

বাক্যাংশ ঃ বাক্যত ব্যৱহৃত কোনো পদ-সমষ্টিয়ে বেলেগ অর্থ প্রকাশ কৰি বিশেষ্য, বিশেষণ, ক্রিয়া বিশেষণ অথবা অব্যয়ৰূপে ব্যৱহাৰ হ'লে তাক বাক্যাংশ বুলি কোৱা হয়। এনে বাক্যাংশত সমাপিকা ক্রিয়া নাথাকে। যেনে- তেওঁ আহিব বুলি মই নাজানো, মিছা কোৱা বেয়া কথা, ৰাম মাকৰ চকুৰ মণি ইত্যাদি।

বাক্যাংশ চাৰি প্রকাৰৰ—

১) বিশেষ্য স্থানীয় বাক্যাংশ

২) বিশেষণ স্থানীয় বাক্যাংশ

৩) ক্রিয়া বিশেষণ স্থানীয় বাক্যাংশ

৪) অব্যয় স্থানীয় বাক্যাংশ

১) বিশেষ্য স্থানীয় বাক্যাংশ ঃ কর্তা বা কর্ম হিচাপে ব্যৱহাৰ হোৱা বাক্যাংশক বিশেষ্য স্থানীয় বাক্যাংশ বোলে। এনে বাক্যাংশই বাক্যত বিশেষ্যৰ কাম কৰে। উদাহৰণঃ

কর্তা হিচাপেঃ সদায় পৰিমিত ব্যায়াম কৰাটো শৰীৰৰ বাবে উপকাৰী।

কর্ম হিচাপেঃ তেওঁ বিদেশৰ পৰা ঘূৰি অহাটো মই নাজানো।

২) বিশেষণ স্থানীয় বাক্যাংশ ঃ বিশেষ্য পদৰ গুণবাচক পদ হিচাপে ব্যৱহাৰ হোৱা বাক্যাংশক বিশেষণ স্থানীয় বাক্যাংশ বোলে। যেনে- আতুৰত পৰা মানুহক সহায় কৰিবা। গৰুৰে খোৱা শস্যৰ গজালি পোখাব নোৱাৰে।

৩) ক্রিয়া বিশেষণ স্থানীয় বাক্যাংশ ঃ কোনো ক্রিয়াৰ বিশেষণ ৰূপে ব্যৱহাৰ হোৱা বাক্যাংশক ক্রিয়া বিশেষণ স্থানীয় বাক্যাংশ বোলে। যেনে- ৰমেনৰ দেউতাকক চিকিৎসালয়লৈ নিনিয়াত তেওঁৰ মৃত্যু হ'ল। আগৰেপৰা সচেতন হৈ থাকিলে বিপদত পৰাৰ সম্ভাৱনা কম।

৪) অব্যয় স্থানীয় বাক্যাংশ ঃ বাক্যত অব্যয় পদৰ দৰে ব্যৱহাৰ হোৱা বাক্যাংশক অব্যয় স্থানীয় বাক্যাংশ বোলে। যেনে- মেধা ছোৱালী কাৰণেহে তাই পৰীক্ষাত ভাল নম্বৰ পালে। সহায় এটা বিচাৰিহে মই তাৰ ওচৰলৈ গৈছিলোঁ।

খণ্ড বাক্য ঃ জটিল আৰু যৌগিক বাক্যৰ অন্তর্গতভাৱে থকা যিবোৰ বাক্যত কর্তা, ক্রিয়া সম্পূর্ণকৈ থাকে সেই বাক্যবোৰকে খণ্ড বাক্য বুলি কোৱা হয়। যেনে- মই ৰান্ধিলোঁ আৰু

তেওঁ খালে। মই ভাবো যে মই কামটো কৰিব পাৰিম।

খণ্ড বাক্য তিনিবিধ- ১) প্ৰধান খণ্ড বাক্য ২) অপ্ৰধান খণ্ড বাক্য ৩) নিৰপেক্ষ খণ্ড বাক্য

১) প্ৰধান খণ্ড বাক্য ঃ মই ভাবো যে মই কামটো কৰিব পাৰিম।

২) অপ্ৰধান খণ্ড বাক্য ঃ তাৰ যে স্বভাৱ বেয়া, মই আগতেই জানোঁ।

৩) নিৰপেক্ষ খণ্ড বাক্যঃ মই বিদ্যালয়লৈ গ'লো আৰু পাঠদান কৰিবলৈ ধৰিলোঁ।

অপ্ৰধান খণ্ড বাক্য বা অধীন খণ্ড বাক্য তিনি প্ৰকাৰৰ-

১) বিশেষ্য স্থানীয় খণ্ড বাক্য

২) বিশেষণ স্থানীয় খণ্ড বাক্য

৩) ক্ৰিয়া বিশেষণ স্থানীয় খণ্ড বাক্য

১) বিশেষ্য স্থানীয় খণ্ডবাক্য ঃ বিশেষ্য স্থানীয় খণ্ড বাক্যবোৰ বিশেষ্য পদ হিচাপে প্ৰধান বাক্যৰ কৰ্তা বা কৰ্ম হৈ ব্যৱহাৰ হয়। যেনে-

কৰ্তা হিচাপেঃ যিজন ল'ৰা তালৈ গৈছে (সি) গান গাব জানে।

কৰ্ম হিচাপেঃ মই জানোঁ তাই এজনী মেধাবী ছোৱালী।

২) বিশেষণ স্থানীয় খণ্ড বাক্য ঃ বিশেষণ স্থানীয় খণ্ড বাক্যবোৰ বিশেষ্য পদৰ বিশেষণ হিচাপে ব্যৱহাৰ হয়। যেনে- যিখন গাড়ী চুৰি হৈছিল, সেইখন আৰু পোৱা নগ'ল।

৩) ক্ৰিয়া বিশেষণ স্থানীয় খণ্ড বাক্য ঃ ক্ৰিয়া বিশেষণ স্থানীয় খণ্ড বাক্যসমূহ প্ৰধান বাক্যৰ ক্ৰিয়া বিশেষণ ৰূপে ব্যৱহাৰ হয়। যেনে- যিমানেই চেষ্টা কৰিবা সিমানেই বেছি পাৰিবা। মায়ে যিধৰণে ৰান্ধিবলৈ কৈছে, তেনেকৈ আজ্ঞাখন ৰান্ধিছোঁ।

২.৯ খণ্ড বাক্য আৰু বাক্যাংশৰ প্ৰভেদ

খণ্ডবাক্য	বাক্যাংশ
১) খণ্ড বাক্য দীঘলীয়া বাক্য এটাৰ অংশ। এইবোৰে মূল বাক্যৰ অৰ্থ সম্পূৰ্ণ কৰে।	বাক্যাংশও খণ্ড বাক্যৰ দৰেই এটা বাক্যৰ অংশ। কিন্তু এইবোৰে একোটা অংশৰ অৰ্থ প্ৰকাশতহে সহায় কৰে।
২) খণ্ড বাক্যত কৰ্তা আৰু সমাপিকা ক্ৰিয়া থাকে।	বাক্যাংশত কৰ্তা আৰু সমাপিকা ক্ৰিয়া নাথাকে।
৩) খণ্ড বাক্যসমূহ প্ৰধান বাক্যৰ তলতীয়া বা অধীন।	বাক্যাংশবোৰ বাক্যৰ এটা অংশহে মাথোন।
৪) এই বাক্যত ব্যৱহাৰ হোৱা পদ বোৰৰ নিজা অৰ্থ থাকে।	সাধাৰণ অৰ্থ প্ৰকাশ নকৰি বিশেষ অৰ্থ প্ৰকাশ কৰে।

৫) এইসমূহ জটিল আৰু যৌগিক বাক্যৰ অন্তর্গত।

বহু ক্ষেত্রত জতুৱা অর্থত ব্যৱহাৰ হয়।

সৰল বাক্যৰ অন্তর্গত।



২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অসমীয়া বাক্যৰীতি বৈশিষ্ট্যপূর্ণ।

অসমীয়া ভাষাৰ বাক্যক গঠন অনুসৰি আৰু ভাব অনুসৰি বিভাজন কৰিব পাৰি।

অসমীয়া ভাষাৰ এটা সৰল বাক্যত কর্তা -কর্ম-ক্রিয়া এই ক্রমত পদবোৰ সজ্জিত হয়।



২.১১ অধিক জানিবলৈ

গোস্বামী, উপেন্দ্রনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণ*, গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

গোস্বামী, গোলোকচন্দ্র (২০০০); *অসমীয়া ব্যাকৰণ প্রবেশ*, গুৱাহাটী ঃ বীণা লাইব্রেৰী

গোস্বামী, গোলোকচন্দ্র (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, গুৱাহাটী ঃ বীণা লাইব্রেৰী

পাটগিৰি, দীপ্তি ফুকন (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ*; গোলাঘাট ঃ সৰস্বতী প্রকাশন।



২.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত বাচ্য তিনি প্রকাৰৰ। কর্তা বাচ্য, কর্ম বাচ্য আৰু ভাব বাচ্য।



২.১৩ আৰ্হি প্রশ্ন

প্রশ্ন নং ১. উদ্দেশ্য আৰু বিধেয় মানে কি? উদাহৰণ দিয়ক।

প্রশ্ন নং ২. গঠন অনুসৰি অসমীয়া বাক্যক কেনেদৰে বিভাজন কৰিব পাৰি, আলোচনা কৰক।

প্রশ্ন নং ৩. ভাব অনুসৰি অসমীয়া বাক্যক কি কি শিতানত ভাগ কৰিব পাৰি?

প্রশ্ন নং ৪. কর্তা বাচ্য, কর্ম বাচ্য আৰু ভাব বাচ্য কাক বোলে? উদাহৰণ দিয়ক।

প্রশ্ন নং ৫. উক্তি কি? প্রত্যক্ষ আৰু পৰোক্ষ উক্তিৰ উদাহৰণ দাঙি ধৰক।

প্রশ্ন নং ৬. অসমীয়া ভাষাৰ বাক্যত পদসমূহে সাধাৰণতে কেনেকুৱা ক্রম মানি চলে?

অধ্যায় ৩ ঃ প্রত্যয় আৰু বিভক্তি

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ প্রত্যয়

- ৩.৩.১ কৃৎ প্রত্যয়
- ৩.৩.২ তদ্ধিৎ প্রত্যয়
- ৩.৩.৩ নির্দিষ্টতাবাচক প্রত্যয়

৩.৪ বিভক্তি

- ৩.৪.১ নাম বিভক্তি বা কাৰক বিভক্তি
- ৩.৪.২ ক্রিয়া বিভক্তি

৩.৫ বিভক্তি আৰু প্রত্যয়ৰ পার্থক্য

৩.৬ উপসর্গ

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্রত্যয়ৰ সূত্র নির্ণয় কৰি কৃৎ আৰু তদ্ধিত প্রত্যয় কাক বোলে উদাহৰণসহ ব্যাখ্যা কৰিব পাৰিব
- বিভক্তিৰ সূত্র নির্ণয় কৰি কাৰক বিভক্তি আৰু ক্রিয়া বিভক্তিবোৰ ভাগ কৰি দেখুৱাব পাৰিব
- বিভক্তি আৰু প্রত্যয়ৰ পার্থক্য নির্ণয় কৰিব পাৰিব
- উপসর্গ কাক বোলে আৰু অসমীয়া ভাষাত কি কি উপসর্গ প্রয়োগ হৈ আহিছে সেই বিষয়ে অৱগত হ'ব